প্লেটো জ্ঞানতত্ত্ব (Theory of Knowledge):

জ্ঞানৰ উৎপত্তি বা উৎস, স্বৰূপ, চৰ্ত, সীমা, বৈধতা আদি জ্ঞানবিদ্যাৰ আলোচ্য বিষয়। প্লেটোৰ জ্ঞানতত্ত্বত জ্ঞানৰ সদৰ্থক (positive) আৰু নঞৰ্থক (negative)- এই দুটা দিশ লক্ষ্য কৰা যায়। প্লেটোৱে কেৱল 'জ্ঞান কি'- এই আলোচনাই কৰা নাই, তেওঁ জ্ঞানৰ স্বৰূপ ভালদৰে উপলব্ধি কৰিবলৈ 'জ্ঞান কি কি নহয়' তাৰ আলোচনাও কৰিছে। জ্ঞানৰ প্ৰকৃতি বা স্বৰূপ, উৎস আৰু বিষয়বস্তুৰ আলোচনা আৰু ইয়াৰ লগত অভিমত বা সত্য বিশ্বাসৰ (opinion or true belief) পাৰ্থক্য নিৰ্ধাৰণ কৰাই সদৰ্থক দিশৰ লক্ষ্য।

1) নঞৰ্থক দিশ (Negative Aspects- The Theaetetus)

প্লেটোৰ জ্ঞানতত্ত্বৰ নঞৰ্থক দিশৰ ব্যাখ্যা লক্ষ্য কৰা যায় তেওঁৰ সৰ্বোত্তম সংলাপ 'Theaetetus'ত। 'Theaetetus' সংলাপখন চক্ৰেটিছ আৰু থিয়েটেটাচৰ কথোপকথনৰ আকাৰত ৰচিত। প্লেটোৰ জ্ঞান সম্পকীয় তিনিটা ভ্ৰান্ত মতবাদ খণ্ডন কৰা হৈছে। জ্ঞান সম্পৰ্কীয় এই তিনিটা ভ্ৰান্ত মতবাদ হ'ল:

১) ইন্দ্ৰিয় প্ৰত্যক্ষই জ্ঞান (Knowledge is sense-perception)

২) অভিমত বা বিশ্বাস জ্ঞান (Knowledge is true belief or opinion)

৩) ব্যাখ্যামূলক সত্য বিশ্বাস জ্ঞান (Knowledge is true belief plus an account)

১) ইন্দ্রিয়-প্ৰত্যক্ষই জ্ঞান (Knowledge is Sense-perception):
জ্ঞানৰ প্ৰস্তাৱিত সংজ্ঞাবোৰৰ ভিতৰত প্ৰথম সংজ্ঞাটো হ'ল 'ইন্দ্ৰিয় প্ৰত্যক্ষই জ্ঞান' । যিকোনো প্ৰদত্ত বস্তু মোৰ ওচৰত যিভাৱে প্ৰতিভাত হয় সি মোৰ ওচৰত তেনেকুৱা, আৰু তোমাৰ ওচৰত যি ধৰণৰে প্ৰতিভাত হয় সি তোমাৰ বাবে তেনেকুৱাই। এই বক্তব্যৰ অৰ্থ হৈছে জ্ঞান প্ৰতক্ষণ ভিন্ন আন একো নহয়। এই মতবাদক প্ৰতিষ্ঠা কৰিবলৈ প্লেটোৱে তলত দিয়া যুক্তি কেইটা আগবঢ়াইচো:

a) ইন্দ্ৰিৰ প্ৰত্যক্ষৰ দ্বাৰা অৰ্জিত জ্ঞান বিৰোধিতাৰে পৰিপূৰ্ণ।

b) যদি প্ৰত্যক্ষই জ্ঞান হয়, তেনেহ'লে শিক্ষাদান, আলোচনা, প্ৰমাণ বা অপ্ৰমাণ আদি অসম্ভৱ হৈ পৰিব।

c) যদি প্ৰত্যক্ষ সত্য হয়, তেনেহ'লে প্ৰত্যেক ব্যাক্তি প্ৰত্যক্ষকাৰী সত্তা হিচাপে সকলো বস্তুৰে মানদণ্ড হ'ব।

d) এই মতবাদ মানি ল'লে একে বস্তুৱে এজনৰ কাৰণে সত্য হ'ব আৰু আনজনৰ কাৰণে মিথ্যা হ'ব।

২) অভিমত বা বিশ্বাস জ্ঞান:
এই লক্ষণ অনুসাৰে যদি কোনো বিশ্বাস সত্য হয় তেনেহ'লে তাক জ্ঞান বোলা যায়। কিন্তু প্লেটো এই লক্ষণটো বৰ্জন কৰিছে আৰু ইয়াক বৰ্জন কৰিবলৈ গৈ সত্য বিশ্বাস আৰু মিথ্যা বিশ্বাসৰ মাজত পাৰ্থক্য নিৰূপণ কৰিছে।

৩) ব্যাখ্যামূলক সত্য বিশ্বাস জ্ঞান:

ইন্দ্ৰিয় প্ৰত্যক্ষ আৰু অভিমত বা বিশ্বাস খণ্ডিত হোৱাৰ পিছত থিয়েটেটাচ জ্ঞানৰ আন এটা সংজ্ঞা প্ৰদান কৰে। এই সংজ্ঞা অনুসৰি 'জ্ঞান হ'ল ব্যাখ্যামূলক সত্য বিশ্বাস' । কেবল মাত্ৰ সত্য বিশ্বাস জ্ঞান বুলি প্ৰত্যাখিত হোৱাত থিয়েটেটাচ 'যৌক্তিক ব্যাখ্যা' সহ সত্য বিশ্বাসক জ্ঞানৰ লক্ষণ হিচাপে প্ৰস্তাৱ কৰে। কিন্তু প্লেটোৱে জ্ঞানৰ এই সংজ্ঞাটোকো যুক্তিসহকাৰে খণ্ডন কৰে।

সদৰ্থক দিশ (Positive Aspects):

প্লেটোৰ জ্ঞানতত্ত্বৰ সদৰ্থক দিশৰ পৰিচয় পোৱা যায় তেওঁৰ 'Republic' সংলাপত। প্লেটোৰ মতে, জ্ঞানৰ দুটা অপৰিহাৰ্য বৈশিষ্ট্য হৈছে- জ্ঞান অভ্ৰান্ত হ'ব লাগিব আৰু জ্ঞান সৎ বস্তু বিষয়ক  হ'ব লাগিব। অৰ্থাৎ জ্ঞান হ'বলৈ হ'লে কোনো মানসিক অৱস্থা অভ্ৰান্ত হ'ব লাগিব আৰু সেই অনুযায়ী বিষয়বস্তুৰ যথাৰ্থ অস্তিত্ব থাকিব লাগিব। এই দুটা বৈশিষ্ট্য অবিহনে কোনো মানসিক অৱস্থাই জ্ঞান হ'ব নোৱাৰে। এই দুটা বৈশিষ্ট্য নথকাৰ বাবে ইন্দ্ৰিয় প্ৰত্যক্ষ, বিশ্বাস বা অভিমতক প্লেটোৱে জ্ঞান হিচাপে স্বীকৃতি দিয়া নাই।